যোৰহাট কলেজৰ নিজা পুঁজিৰে বৃহৎ শৈক্ষিক ভৱন মুকলি

‘কৃত্রিম বুদ্ধিমত্তাৰ প্রাধান্যই ভাৰতীয় সভ্যতা-সংস্কৃতিক উলংঘা কৰাৰ দৰে হ’ব’

যোৰহাট ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৬ ছেপ্টেম্বৰ ঃ নতুন শিক্ষা নীতিৰ বিভিন্ন প্রসংগত ছাত্র-ছাত্রী তথা শিক্ষার্থীৰ লগতে শিক্ষক সকলৰ চিন্তাধাৰাতো মূল্যবোধৰ কেনে প্রাসংগিকতা আৰু প্রয়োজনীয়তা আছে, সেই কথা সন্নিবিষ্ট কৰা হৈছে। নতুন শিক্ষানীতিয়ে যি মূল্যবোধৰ কথা কৈছে, তাৰ অন্তৰালত সুস্থ সমাজ গঠনত শান্তি-শৃংখলাৰ জৰিয়তে মানৰীয় গুণসমূহৰ কেনেদৰে উৎকর্ষ সাধন কৰি বৃহত্তৰ সমাজখনৰ হিত সাধনৰ অর্থে অধ্যয়নৰত অৱস্থাৰ পৰাই ছাত্র-ছাত্রীয়ে নিজক গঢ় দিব পাৰে, সেই বিষয়ত গুৰুত্ব দিয়া হৈছে। স্নাতক শিক্ষাত চতুর্থ বর্ষৰ সংযোজন হোৱাৰ এক

৯ পিঠিলৈ



‘কৃত্রিম বুদ্ধিমত্তাৰ...’

ঐতিহাসিক ক্ষণক স্মৰণ কৰি যোৰহাট মহাবিদ্যালয়ত নিৰ্মাণ কৰি উলিওৱা ৮৫০০ বৰ্গফুটৰ বিশাল নতুন ভৱন আনুষ্ঠানিকভাৱে মুকলি কৰি মহাবিদ্যালয়ৰ আলোচনা কক্ষত অনুষ্ঠিত অনুষ্ঠানত মুখ্য অতিথিৰ ভাষণত ডিব্রুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জিতেন হাজৰিকাই এনেদৰে কয়। প্ৰসংগক্ৰমে উপাচাৰ্য গৰাকীয়ে বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ অভাৱনীয় পৰিৱৰ্তনৰ দিশটোক জীয়াই থকাৰ একমাত্ৰ অৱলম্বন বুলি ধৰিলে মগজু কেনেদৰে নিষ্ক্ৰিয় হ’ব পাৰে, সেই প্ৰসংগও উল্লেখ কৰে। এই ক্ষেত্ৰত বৰ্তমান আমি একাংশই যি সময়ত মগজুটোক কাৰ্যক্ষম কৰিবলৈ ইচ্ছা কৰিব লাগিছিল, সেই সময়ত সহজলভ্যভাৱে মগজুক কেনেদৰে নিষ্ক্ৰিয় কৰাৰ ফলত মানৱীয় গুণসমূহ হেৰুৱাবলৈ ধৰিছোঁ সেই কথাও উল্লেখ কৰে। এনে প্ৰসংগৰ সূত্ৰ ধৰিয়েই ভাৰতীয় সভ্যতা, সংস্কৃতি আৰু মূল্যবোধৰ শিক্ষাক যদিহে আমি উলংঘা কৰি কৃত্ৰিম বুদ্ধিমত্তাক বিশেষভাৱে প্ৰাধান্য দিওঁ, তেন্তে নিজেই নিজক ধ্বংস কৰাৰ দৰে হ’ব বুলিও উপাচাৰ্য হাজৰিকাই মন্তব্য কৰে। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশ গ্ৰহণ কৰি আগবঢ়োৱা চমু ভাষণত বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে যোৰহাট কলেজে নিজা পুঁজিৰ জৰিয়তে এনে এটা বৃহৎ ভৱন নিৰ্মাণ কৰি উলিওৱাৰ ক্ষেত্ৰত অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰীৰ নেতৃত্বত সামূহিকভাৱে কাম কৰাৰ বাবে শিক্ষক-কৰ্মচাৰী প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰীসকলৰ ঐক্যবদ্ধ প্ৰচেষ্টাৰ শলাগ লয়। প্ৰসংগক্ৰমে বিধায়ক গোস্বামীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনাই সবল নৈতিক চৰিত্ৰ গঠনৰ জৰিয়তে সমাজক কেনেদৰে সহায় কৰিব পাৰি সেই কথা উল্লেখ কৰে। এই ক্ষেত্ৰত অগাধ ধন-সম্পত্তিৰ জৰিয়তে শক্তিশালী ধনী মানুহ হ’লেও যদিহে সৎ চৰিত্ৰৰ মানুহ হ’ব নোৱাৰে, তেন্তে এনে মানুহৰ পৰা সমাজে একো নাপায় বুলিও তেওঁ প্ৰসংগক্ৰমে মন্তব্য কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰীৰ পৌৰোহিত্যত আৰু পৰিচালনা সমিতিৰ সভাপতি ড° পৰাণ বৰুৱাৰ উপস্থিতিত অনুষ্ঠিত উদ্বোধনী সভাত প্ৰাক্তন অধ্যক্ষ ড° পৱিত্ৰপ্ৰাণ গোস্বামী আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° পৱিত্ৰপ্ৰাণ গোস্বামীৰ দ্বাৰা ৰচিত সমৰেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটোত আদৰণী ভাষণ আগবঢ়ায় অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰীয়ে। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ ফালৰ পৰা বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। সেই অনুষ্ঠানত মহাবিদ্যালয়ৰ সহযোগী বিদ্যালয় মালৌআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা শ্যামলীমা বৰা আৰু শিক্ষক নৱেন বৰঠাকুৰক শ্ৰেষ্ঠ শিক্ষকৰ বঁটা লাভ কৰাৰ বাবে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পাছতে বাহনা কলেজৰ অধ্যক্ষ ড° চুম্বিত চলিহা, মৰিয়নি কলেজৰ অধ্যক্ষ হৰেন গোৱালা, নবীন বৰদলৈ কলেজৰ অধ্যক্ষ ড° দিগন্ত কুমাৰ ফুকন, চিনামৰা কলেজৰ অধ্যক্ষ অঞ্জন শইকীয়া, টীয়ক চি কে বি কলেজৰ অধ্যক্ষ ড° বিনয়ব্ৰত ৰাজখোৱা, ডি চি বি কলেজৰ অধ্যক্ষ ধীৰেন তামুলী, চি কে বি কমার্চ কলেজৰ অধ্যক্ষ ড° ব্ৰীজমোহন হাজৰিকা আৰু নতুন ভৱনটোৰ নিৰ্মান সমিতিৰ আহ্বায়ক পংকজপাণি শইকীয়াক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পাছতে ছাত্ৰী প্ৰতীশা দত্তই ‘নিয়ৰৰে ফুল’ শীৰ্ষক গীতটো পৰিৱেশন কৰে। উদ্বোধনী অনুষ্ঠানৰ মূল আকৰ্ষণ আছিল মহাবিদ্যালয়ৰ বিভাগসমূহৰ শৈক্ষিক উৎকৰ্ষ সাধনৰ স্বীকৃতিস্বৰূপে প্ৰদান কৰা বঁটা বিতৰণী অনুষ্ঠান। মহাবিদ্যালয়ৰ বিভাগসমূহৰ মাজত শ্ৰেষ্ঠ বিভাগ আৰু গৱেষণা পত্ৰিকাসমূহৰ ভিতৰত ‘শ্ৰেষ্ঠ গৱেষণা পত্ৰিকা’ৰ বঁটা বিজয়ীসকলক মুখ্য অতিথিৰ দ্বাৰা মানপত্ৰ আৰু নগদ ধন প্ৰদান কৰা হয়। ২০২৫-২৬ বৰ্ষৰ শ্ৰেষ্ঠ বিভাগৰ বঁটা শিক্ষাতত্ত্ব বিভাগে লাভ কৰে। শ্ৰেষ্ঠ গৱেষণা পত্ৰিকাৰ বঁটা লাভ কৰে ইতিহাস বিভাগে। বঁটা প্ৰদান অনুষ্ঠানটোৱে শিক্ষক-শিক্ষয়িত্ৰী আৰু গৱেষক ছাত্ৰ-ছাত্ৰীসকলক অধিক উৎসাহ যোগাব বুলি আশা কৰা হৈছে। সভাত যোৰহাট প্ৰেছ ক্লাবৰ সভাপতি অনন্ত নাৰায়ণ বৰঠাকুৰ আৰু সম্পাদক বিৰাজ বৰুৱা উপস্থিত থাকে। একেখন সভাতে জানুৱাৰী-জুন বৰ্ষৰ মহাবিদ্যালয়ৰ ‘নিউজ লেটাৰ’খন উন্মোচন কৰে যোৰহাট প্ৰেছ ক্লাবৰ সভাপতি অনন্ত নাৰায়ণ বৰঠাকুৰে। সভাত শলাগৰ শৰাই আগবঢ়ায় সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপিকা স্বপ্নাজ্যোতি বৰাই। অনুষ্ঠানটোৰ আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° ঊষামণি কাকতীয়ে। সভাখনত যোৰহাটৰ বহুকেইখন কলেজৰ প্ৰাক্তন অধ্যক্ষ, বৰ্তমানৰ অধ্যক্ষ, মহাবিদ্যালয়খনৰ ভালেকেইজন প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী উপস্থিত থকাৰ লগতে বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। এই নতুন ভৱন সংযোজনে অনাগত দিনত মহাবিদ্যালয়ৰ শৈক্ষিক আৰু গৱেষণাৰ পৰিৱেশ অধিক উন্নত কৰিব বুলি সকলোৱে আশা ব্যক্ত কৰিছে।